# অধ্যায় - ৪

# কেন্দ্ৰীয় বেংক

---

## ( ক ) পাঠভিত্তিক অতি চমু প্ৰশ্নোত্তৰ :

### ১। কেন্দ্ৰীয় কাক বোলে ?

উত্তৰঃ দেশৰ বেংক পদ্ধতি তথা বিত্তীয় ব্যৱস্থাৰ শীৰ্ষস্থানীয় বেংকেই হৈছে কেন্দ্ৰীয় বেংক । ই চৰকাৰী অৰ্থনীতিৰ পৰিপূৰক হিচাপে মৌদ্ৰিক নীতি পৰিচালনা কৰে । ই দেশত মুদ্ৰাৰ প্ৰচলন আৰু নিয়ন্ত্ৰণ কৰাৰ উপৰিত্ত বেংক ব্যৱস্থা নিয়ন্ত্ৰণ কৰে ।

ড° এম , এইচ , ডিবাকৰে মতে “কেন্দ্ৰীয় বেংক দেশৰ মুদ্ৰা আৰু বেংকিং গাঁঠনিৰ মূল ভিত্তি হিচাপে আৰু জাতীয় অৰ্থনৈতিক উন্নয়নৰ বাবে কাম কৰে ।”

### ২ । কেন্দ্ৰীয় বেংকৰ কাৰ্যবোৰৰ নাম লিখা ।

উত্তৰঃ কেন্দ্ৰীয় বেংকৰ কাৰ্যবোৰ হ’ল –

( ক ) মুদ্ৰাৰ প্ৰৱৰ্তন আৰু নিয়ন্ত্ৰণ ।

( খ ) চৰকাৰৰ বেংকাৰ , এজেন্ট আৰু বিত্তীয় উপদেষ্টা ।

( গ ) বেংকৰ বেংক ।

( ঘ ) অন্তিম মুহুৰ্ত ঋণদাতা ।

( ঙ ) দেশৰ স্বৰ্ণ আৰু বৈদেশিক মুদ্ৰা ভাণ্ডাৰৰ তত্বাৱধায়ক ।

( চ ) বৈদেশিক মুদ্ৰা নিয়ন্ত্ৰক ।

( ছ ) পৰিশোধ ভৱনৰ কাৰ্য্য । আৰু

( জ ) ঋণ নিয়ন্ত্ৰণ ।

### ৩। চৰকাৰৰ বেংক বুলিলে কি বুজা ?

উত্তৰঃ কেন্দ্ৰীয় বেংকে চৰকাৰৰ বেংক হিচাপে কাৰ্য্য কৰে । চৰকাৰে ইয়াৰ পুঁজি জমা ৰাখিবলৈ আৰু আয় ব্যয় কাৰ্য্যত লিপ্ত হ'বলৈ কেন্দ্ৰীয় বেংকত হিচাপ খোলে । বেংক হিচাপৰ যোগেদি চৰকাৰে খৰচ কৰে । প্ৰয়োজনমতে চৰকাৰে কেন্দ্ৰীয় বেংকৰ পৰা ঋণো লয় । চৰকাৰৰ সাময়িক ঋণৰ প্ৰয়োজন পূৰাবলৈ ট্ৰেজাৰী বিলৰ বেচা কিনা কাম কৰে । চৰকাৰৰ হকে ই বৈদেশিক মুদ্ৰা লেনদেনো কৰে । সেয়ে কেন্দ্ৰীয় বেংকক চৰকাৰৰ বেংক বুলি কোৱা হয় ।

### ৪। বেংকাৰ বেংক মানে কি ?

উত্তৰঃ কেন্দ্ৰীয় বেংকে দেশৰ বাণিজ্যিক বেংকসমূহৰ বেংকাৰ হিচাপে কাৰ্য সম্পন্ন কৰে । বাণিজ্যিক বেংকে গ্ৰাহকৰ বাবে আমানত ৰাখে , ঋণ দিয়ে , অৰ্থ স্থানান্তৰ আৰু প্ৰেৰণ আদিৰ কাম কৰে । সেইদৰে কেন্দ্ৰীয় বেংকে অনুৰূপ কাৰ্য বাণিজ্যিক বেংকৰ বাবে সম্পন্ন কৰে । সেয়ে কেন্দ্ৰীয় বেংকক বেংকাৰ বেংক বোলা হয় ।

### ৫। অন্তিম মুহূৰ্ত ঋণদাতা মানে কি ?

উত্তৰঃ কেন্দ্ৰীয় বেংকে দেশৰ মুদ্ৰা বজাৰ আৰু বেংক ব্যৱস্থাৰ অন্তিম মুহূৰ্তৰ ঋণদাতা হিচাপে কাম কৰে । অধিক লেনদেন নিষ্পত্তি কৰিবৰ জোখাৰে মুদ্ৰাৰ প্ৰচলন হলেহে অৰ্থব্যৱস্থাত তৰলতা আহে । বাণিজ্যিক

বেংকে গ্ৰাহকক ঋণ প্ৰদান কৰি আৰু গ্ৰাহকক বিল ভঙাই দি মুদ্ৰা বজাৰৰ তৰলতা ৰক্ষা কৰে । কিন্তু বাণিজ্যিক বেংকৰ অৰ্থৰ অভাৱ ঘটিব পাৰে । তেনে পৰিস্থিতিত কেন্দ্ৰীয় বেংকে দেশৰ বাণিজ্যিক বেংকক ঋণ দি বা বাণিজ্যিক বেংকৰ বিলবোৰ পুনৰ বাট্টা কৰি মুদ্ৰা বজাৰৰ তৰলতা ৰক্ষা কৰে । অৰ্থাৎ মুদ্ৰা বজাৰত তৰলতাৰ অভাৱ হ'লে অৱশেষত কেন্দ্ৰীয় বেংকে তৰলতা আনি দিয়ে । সেই হিচাপে কেন্দ্ৰীয় বেংকে তৰলতাৰ ক্ষেত্ৰত মুদ্ৰা বজাৰত অন্তিম মুহূৰ্তৰ এানকৰ্তা হিচাপে কাম কৰে ।

৬। পৰিবৰ্তনশীল নগদ সংৰক্ষণ অনুপাতৰ অৰ্থ লিখা ।

উত্তৰঃ বাণিজ্যিক বেংকসমূহে কেন্দ্ৰীয় বেংকত নিৰ্দিষ্ট পৰিমাণৰ নগদ মুদ্ৰা জমা ৰাখিব লাগে । এই জমা বা সংৰক্ষণৰ অনুপাত পৰিবৰ্তন শীল আৰু কেন্দ্ৰীয় বেংকে প্ৰয়োজন অনুসৰি ইয়াক সলনি কৰিব পাৰে । আইনত স্থিৰ কৰি দিয়া নিম্নতম আৰু উৰ্দ্ধতম অনুপাতৰ ভিতৰত কেন্দ্ৰীয় বেংকে সংৰক্ষণৰ পৰিমাণ স্থিৰ কৰি দিয়ে । বাণিজ্যিক বেংকৰ আমানত । শতাংশ হিচাপে এই পৰিমাণ স্থিৰ কৰা হয় । সেইকাৰণে ইয়াক পৰিবৰ্তন শীল সংৰক্ষণ অনুপাত বোলে ।

৭। ঋণৰ মাৰ্জিন নিয়ন্ত্ৰণ মানে কি ?

উত্তৰঃ ঋণৰ জামিন স্বৰূপে দিয়া প্ৰতিভূতিৰ বজাৰ মূল্য আৰু প্ৰদানিত ঋণৰ মাজৰ পাৰ্থক্যই মাৰ্জিন । এই মাৰ্জিনৰ পৰিমাণ কেন্দ্ৰীয় বেংকে কম বা বেছি কৰিব পাৰে । আনকি কোনো কোনো পণ্য বা প্ৰতিভূতিৰ জামিনত ঋণ প্ৰদান বন্ধও কৰিব পাৰে । পণ্য দ্ৰব্যৰ মজুতকৰণ ৰোধ কৰিবলৈ বা ষ্টক বিনিময় কেন্দ্ৰৰ দালাল , ব্যৱসায়ী আদিৰ ব্যৱসায় নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এই ব্যৱস্থা যথেষ্ট কাৰ্যকৰী হয় ।

## ( খ ) চমু প্ৰশ্নৰ উত্তৰ :

১। কেন্দ্ৰীয় বেংকৰ নোট প্ৰৱৰ্তন ক্ষমতাৰ আভাষ দিয়া ?

উত্তৰঃ বৰ্তমান কালত বিশ্বৰ সকলো দেশৰ কেন্দ্ৰীয় বেংকেই নোট প্ৰবৰ্তন মুদ্ৰাৰ প্ৰচলন আৰু নিয়ন্ত্ৰণৰ অধিকাৰ লাভ কৰে। আইন অনুযায়ী কেন্দ্ৰীয় বেংকৰ বাহিৰে আন কোনো বেংকে নোট ছপা কৰিব নোৱাৰে।

কেন্দ্ৰীয় বেংকৰ হাতত নোট ছপা কৰাৰ দায়িত্ব দিয়াৰ কাৰণবিলাক হ'ল—

( i ) যেতিয়া বাণিজ্যিক বেংকৰ আমানতৰ সৃষ্টি বৃদ্ধি পায় , তেতিয়া ইয়াক নিয়ন্ত্ৰণ কৰাৰ প্ৰয়োজন হৈ পৰে। বাণিজ্যিক বেংকৰ এনে প্ৰয়োজনীয় ঋণ সৃষ্টিত বাধা দিবলৈ নাইবা নিয়ন্ত্ৰণ কৰিবলৈ কেন্দ্ৰীয় বেংকক মুদ্ৰা ছপা কৰাৰ একচেটীয়া দায়িত্ব প্ৰদান কৰিব লগা হয়।

( ii ) যদি মুদ্ৰা ছপা কৰাৰ দায়িত্ব চৰকাৰৰ দ্বাৰা কেৱল এটা বেংককে দিয়া হয় , তেন্তে নিৰ্দিষ্ট গুণ থাকে। আনহাতে বিভিন্ন বেংকে এই দায়িত্ব ললে তাৰ গুণৰ বিভিন্নতা আহি পৰে।

( iii ) কেৱল এটা বেংক যেনে কেন্দ্ৰীয় বেংকে মুদ্ৰা ছপা কৰাৰ সমজাতীয়তা থাকে। আনহাতে অন্যবিলাক বেংকে ছপা কৰা মুদ্ৰা এই সহ জাতীয়তা নাথাকে , আৰু তাৰ ফলত জনসাধাৰণৰ মুদ্ৰাৰ প্ৰতি বিশ্বাস হেৰুওৱাৰ সম্ভাৱনা থাকে। মুদ্ৰাৰ প্ৰতি জনসাধাৰণৰ বিশ্বাস অটুট ৰাখিবলৈ কেন্দ্ৰীয় বেংকক নোট ছপা কৰাৰ দায়িত্ব দিয়া হব।

( iv ) কেন্দ্ৰীয় বেংকৰ হাতত নোট ছপাৰাৰ দায়িত্ব অৰ্পণ কৰাৰ পাছত, ইয়াৰ অনিয়মীয়তা নাইবা অন্যান্য দুৰ্নীতি মূলক কাৰ্য্যৰ পৰিদৰ্শন কৰা আৰু সিবিলাকৰ শুধৰণি কৰাৰ বাবে চৰকাৰৰ সুবিধা হয়। বিভিন্ন বেংকক এই দায়িত্ব দিলে চৰকাৰৰ এই কামত যথেষ্ট অসুবিধাৰ সৃষ্টি হয় ।

( v ) যিহেতু কেন্দ্ৰীয় বেংকেই মুদ্ৰাগত পৰিচালনাৰ দায়িত্ব লয় , সেইবাবে নোট ছপা কৰাৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যা সমাধানৰ ক্ষেত্ৰত

বেছি কাৰ্যকৰীভাৱে সম্পন্ন কৰিবলৈ এই বেংকক দায়িত্ব দিয়া প্ৰয়োজন ।

## ২। পৰিশোধভৱনৰ কাৰ্য আলোচনা কৰা ।

উত্তৰঃ বিভিন্ন বাণিজ্যিক বেংক আৰু সেইবোৰৰ গ্ৰাহকৰ মাজত অহৰহ চেক লেনদেন হয় । ফলত প্ৰত্যেক বেংকে আন বেংকক টকা দিবলগীয়া হয় , আনহাতে আন বেংকৰ পৰা পাব লগীয়া হয় । বেংকবোৰৰ মাজত আটাইবোৰ আদান - প্ৰদান নগদ টকাৰ মাধ্যমত কৰিব লাগিলে বহুত টকাৰ প্ৰয়োজন হয় । এনে অসুবিধাৰ হাত সাৰিবলৈ পৰিশোধ ভৱনব উদ্ভাৱন কৰা হৈছে । প্ৰত্যেক দিনে পৰিশোধ ভৱনত বিভিন্ন বেংকৰ কৰ্মচাৰী সমবেত হৈ সেইবোৰৰ মাজত হ'বলগীয়া আদান - প্ৰদান নিস্পত্তি কৰা হয় । অৱশেষত যি বেংকে দিবলগীয়া হয় , সেই বেংকে কেন্দ্ৰীয় বেংকত থকা হিচাপত চেক দি পাবলগীয়া বেংকক পৰিশোধ কৰে । কেন্দ্ৰীয় বেংকে দেনাদাৰ বেংকৰ হিচাপত ডেবিট দি পাওনাদাৰ বেংকৰ হিচাপত ক্ৰেডিট দিয়ে । এইদৰে কেন্দ্ৰীয় বেংকে পৰিশোধন ভৱনৰ সুবিধা দি বেংক ব্যৱস্থাক সহায় কৰে ।

## ৩ । মুকলি বজাৰৰ লেনদেন কি বুজাই লিখা ।

উত্তৰঃ কেন্দ্ৰীয় বেংকে বজাৰত হ্ৰস্বম্যাদী প্ৰতিভূতি বেচা - কিনা কৰাকে মুকলি বজাৰৰ লেন - দেন বোলে । ইয়াৰ ফলত মুদ্ৰা বজাৰৰ তৰলতা প্ৰত্যক্ষ ভাৱে কম - বেছি কৰিব পাৰি । বেংকসমূহৰ হাতত অধিক পৰিমাণে তৰল সম্পদ থাকিলে ঋণৰ পৰিমাণ বেছি হয় ফলত মুদ্ৰাস্ফীতি হয় । এনে ক্ষেত্ৰত মুদ্ৰা বজাৰৰ তৰলতা হ্ৰাস কৰাৰ কাৰণে কেন্দ্ৰীয় বেংকে হস্বম্যাদী প্ৰতিভূতি বিক্ৰী কৰে । এই প্ৰতিভূতি বিভিন্ন ব্যক্তি , প্ৰতিষ্ঠান , বিত্তীয় অনুষ্ঠানে ক্ৰয় কৰে । ক্ৰেতাসকলে বাণিজ্যিক বেংকৰ হিচাপত চেক দি প্ৰতিভূতিৰ মূল্য আদায় দিয়ে । ফলত বাণিজ্যিক বেংকে কেন্দ্ৰীয় বেংকত জমা ৰখা আমানত হ্ৰাস পায় । আনহাতে বাণিজ্যিক বেংকে গ্ৰাহকক দিবলগীয়া আমানত দেনাৰ পৰিমাণ কমে । তেতিয়া মুদ্ৰা বজাৰৰ তলতাকমে । গতিকে বাণিজ্যিক বেংকৰ ঋণ সৃষ্টি ক্ষমতা কমে ।

আনহাতে বজাৰত মুদ্ৰা যোগান বেছি কৰিবলৈ হ'লে , কেন্দ্ৰীয় বেংকে আগতে বিক্ৰী কৰা প্ৰতিভূতি ক্ৰয় কৰে l তেতিয়া প্ৰতিভূতি বিক্ৰেতাসকলে সেইবোৰৰ মূল্য পায় l তেওঁলোকে পোৱা নগদ মূল্য সাধাৰণতে বাণিজ্যিক বেংকত জমা হয় l নতুবা কেন্দ্ৰীয় বেংকে বাণিজ্যিক বেংকৰ হিচাপত ক্ৰেডিট দেখুৱাই প্ৰতিভূতি মূল্য আদায় দিয়ে l

৪। আন্তৰ্জাতিক মুদ্ৰাৰ সংৰক্ষণ বুলিলে কি বুজা ?

উত্তৰঃ আন্তৰ্জাতিক মুদ্ৰা বা বৈদেশিক মুদ্ৰাৰ সংৰক্ষণ কেন্দ্ৰীয় বেংকে নোট প্ৰৱৰ্তনৰ বিধিগত ব্যৱস্থা অনুসৰি কৰে l তদুপৰি আন্তৰ্জাতিক বাণিজ্যৰ ফলত দেশৰ নাগৰিক , প্ৰতিষ্ঠান আৰু চৰকাৰৰ বাহি স্বৰ্ণ ও বৈদেশিক মুদ্ৰা কেন্দ্ৰীয় বেংকত জমা হয় l মুদ্ৰাৰ আভ্যন্তৰীণ মূল্য স্থিৰে ৰাখিবলৈ স্বৰ্ণ আৰু বৈদেশিক মুদ্ৰা সংৰক্ষণ কৰা হয় l ঠিক সেইদৰে মুদ্ৰাৰ বৰ্হিমূল্য বা বিনিময় মূল্য স্থিৰে ৰাখিবলৈ স্বৰ্ণ আৰু বৈদেশিক মুদ্ৰা জমা ৰাখিব লাগে l মুদ্ৰাৰ উভয় প্ৰকাৰ মূল্য স্থিৰে ৰখাৰ সুবিধাৰ্থে কেন্দ্ৰীয় বেংকে দেশৰ স্বৰ্ণভাণ্ডাৰ আৰু বৈদেশিক মুদ্ৰা ভাণ্ডাৰ সংৰণ কৰে l

৫। ঋণ ৰেচনিং মানে কি লিখা ?

উত্তৰঃ সাধাৰণতে কেন্দ্ৰীয় বেংকে সকলোবোৰ প্ৰতিষ্ঠানৰ পৰা যি পৰিমাণ ঋণ বা বাট্টাকৰণৰ বিল পায় তাতকৈ কম পৰিমাণৰ সাহায্য দিয়ে l ফলত প্ৰত্যেক আবেদনকাৰীয়ে বিচৰা ঋণ বা বাট্ৰাকৰণৰ একাংশহে কেন্দ্ৰীয় বেংকে মুদ্ৰা বজাৰক ঋণৰ যোগান ধৰে , অৰ্থাৎ মুদ্ৰা বজাৰৰ ঋণ চাহিদা আংশিকভাৱে পূৰণ কৰে l তেতিয়া মুদ্ৰা বজাৰ বা বাণিজ্যিক বেংকৰ তৰলতা কমি থাকে l ফলত ঋণ সম্প্ৰসাৰণ কম হয় l ইয়েই ঋণ ৰেচনিং বা ঋণৰ যথোপযুক্ততা l

৬ l ঋণ নিয়ন্ত্ৰণ কি বুজাই লিখা l

উত্তৰঃ দেশৰ ঋণ নিয়ন্ত্ৰণ কৰাটো কেন্দ্ৰীয় বেংকৰ অন্যতম মুখ্য কাৰ্য। ঋণ নিয়ন্ত্ৰণ বুলিলে সাধাৰণভাৱে বাণিজ্যিক বেংকৰ ঋণ নীতিৰ ওপৰত নিয়ন্ত্ৰণ তথা পৰিচালনা কৰাকে বুজায়। ঋণ নিয়ন্ত্ৰণৰ উদ্দেশ্যে কেন্দ্ৰীয় বেংকে দুটা উপায় অৱলম্বন কৰে। বেংক ৰেট , মুকলি বজাৰৰ লেনদেন আৰু পৰিবৰ্তনশীল সংৰক্ষণৰ অনুপাতৰ প্ৰভাৱ সাধাৰণতে সকলো বেংকৰ ওপৰত প্ৰায় একে ধৰণে প্ৰতিফলিত হয়। এইবোৰৰ সহায়ত কেন্দ্ৰীয় বেংকে মুদ্ৰা যোগানৰ তাৰতম্য কৰি বাণিজ্যিক বেকৰ তৰলতাৰ ওপৰত প্ৰভাৱ পেলায়। তেতিয়া বাণিজ্যিক বেংকৰ ঋণদান ক্ষমতা হ্ৰাস বৃদ্ধি হয়। এইবোৰকে ঋণ নিয়ন্ত্ৰণৰ সাধাৰণ বা পৰিমাণগত প্ৰণালী বোলে।

আনহাতে অৰ্থ ব্যৱস্থাৰ কোনো বিশেষ খণ্ডত ঋণ নিয়ন্ত্ৰণ কাৰ্যকৰী কৰিবলৈ কেন্দ্ৰীয় বেংকে বাছনিমূলক বা গুণগত উপায় অৱলম্বন কৰে। সাধাৰণতে নৈতিক প্ৰমোদন , প্ৰত্যক্ষ নিৰ্দেশ , মাৰ্জিন'ৰ হ্ৰাস - বৃদ্ধি , ভোক্তা ঋণ নিয়ন্ত্ৰণ আদিয়ে বাছনিমূলক উপায়।

৭। কেন্দ্ৰীয় বেংকে কিদৰে চৰকাৰৰ বেংক হিচাপে কাম কৰে বৰ্ণনা কৰা।

উত্তৰঃ কেন্দ্ৰীয় বেংকে চৰকাৰৰ বেংক হিচাপে কাৰ্য কৰে। চৰকাৰে তেওঁলোকৰ পুঁজি জমা ৰাখিবলৈ আৰু আয় ব্যয় কাৰ্যত লিপ্ত হ'বলৈ কেন্দ্ৰীয় বেংকত হিচাপ খোলে। বেংক হিচাপৰ যোগেদি চৰকাৰে খৰচ কৰে। প্ৰয়োজন মতে চৰকাৰে কেন্দ্ৰীয় বেংকৰ পৰা ঋণো লয়। চৰকাৰৰ সাময়িক ঋণৰ প্ৰয়োজন পূৰাবলৈ ট্ৰেজাৰী বিলৰ বেচা কিনা কাম কেন্দ্ৰীয় বেংকে সম্পন্ন কৰে। চৰকাৰৰ হকে ই বৈদেশিক মুদ্ৰাৰ লেনদেনো কৰে। দেশ বা বিদেশে দীৰ্ঘম্যাদী ঋণপত্ৰ বিক্ৰী কৰি ঋণ সংগ্ৰহ কৰাটো কেন্দ্ৰীয় বেংকে চৰকাৰক সহায় কৰে। এনে ক্ষেত্ৰতে চৰকাৰৰ বিত্তীয় উপদেষ্টা ৰূপে কাম কৰে। তদুপৰি অৰ্থৰ হস্তান্ত , স্থানান্তৰ , প্ৰেৰণ আদি কাৰ্য সম্পন্ন কৰি কেন্দ্ৰীয় বেংকে চৰকাৰৰ এজেন্ট হিচাপেও কাম কৰে। দেশৰ চৰকাৰ আৰু বেংক ব্যৱস্থাৰ বেংকাৰ হিচাপে কাম কৰাৰ কালত মুদ্ৰাৰ বজাৰ নিয়ন্ত্ৰণ কৰাত কেন্দ্ৰীয় বেংকৰ সুচল হৈছে। চৰকাৰী আয় ব্যয়ৰ পৰিস্থিতি , ঘাটি

বিত্ত, বেংকৰ পদ্ধতিৰ আমানত আদিৰ খবৰ ৰাখি কেন্দ্ৰীয় বেংকে অৰ্থ ব্যৱস্থাত মুদ্ৰাস্ফীতি বা মুদ্ৰা সংকোচন নিয়ন্ত্ৰণ কৰিবলৈ সুবিধা পায় ।

৮ । ভাৰতত কোনটো পদ্ধতিত নোট প্ৰৱৰ্তন কৰা হয় পদ্ধতিটোৰ বিষয়ে চমুকৈ লিখা ।

উত্তৰঃ ভাৰতত নোট প্ৰৱৰ্তন কৰিবলৈ ৰিজাৰ্ভ বেংকে নিম্নতম সংৰক্ষণ পদ্ধতি অবলম্বন কৰে ।

এই পদ্ধতিত নোট প্ৰৱৰ্তন কৰিবলৈ নিৰ্ধাৰিত নিম্নতম স্বৰ্ণ সংৰক্ষণৰ বাবে আইনৰ ব্যৱস্থা কৰা হয় । সেই নিম্নতম পৰিমাণৰ সোণ সংৰক্ষণ কৰি মুদ্ৰা কৰ্তৃপক্ষই যিকোনো পৰিমাণৰ নোট প্ৰৱৰ্তন আৰু প্ৰচলন কৰিব পাৰে ।

৯। ঋণ নিয়ন্ত্ৰণৰ প্ৰধান উদ্দেশ্যবোৰ ব্যাখ্যা কৰা ।

উত্তৰঃ ঋণ নিয়ন্ত্ৰণৰ প্ৰধান উদ্দেশ্যবোৰ হ’ল –

( ক ) দৰস্তুৰৰ স্থিৰতা :- দেশৰ মুদ্ৰা আৰু বেংক পদ্ধতিৰ অধিনায়ক হিচাপে কেন্দ্ৰীয় বেংকে দস্তুৰ সুস্থিৰে ৰাখিবলৈ মুদ্ৰা আৰু ঋণগত মুদ্ৰা নিয়ন্ত্ৰণ কৰে ।

( খ ) অৰ্থনৈতিক স্থিৰতা :- দেশৰ অৰ্থনীতি সুস্থিৰে ৰখাটো কেন্দ্ৰীয় বেংকৰ অন্যতম উদ্দেশ্য । অৰ্থনৈতিক স্থিৰতা ৰক্ষাৰ্থে মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰিবলৈ আৰু আৰ্থিক প্ৰগতি অব্যাহত ৰাখিবলৈ ঋণ নিয়ন্ত্ৰণ কৰে ।

( গ ) অৰ্থনৈতিক বিকাশ :- অৰ্থনৈতিক বিকাশ কৰিবলৈ সাধাৰণ বা সংখ্যাগত , গুণগত বা বাছনিমূলক ঋণ নিয়ন্ত্ৰণৰ ব্যৱস্থা গ্ৰহণ কৰে ।

( ঘ ) বিনিময় হাৰৰ স্থিৰতা :- ঋণ নিয়ন্ত্ৰণৰ আন এটা উদ্দেশ্য হ'ল বিনিময় হাৰ স্থিৰে ৰখা l দেশৰ আন্তৰ্জাতিক মুদ্ৰা ভাণ্ডাৰ নিয়ন্ত্ৰণ কৰি ৰিজাৰ্ভ বেংকে বিনিময় হাৰ সুস্থিৰকৈ পৰিচালনা কৰাৰ সুবিধা পায় l

( ঙ ) নিয়োগৰ সৰ্বাধিকৰণ :- ঋণ নিয়ন্ত্ৰণৰ আন এটা গুৰুত্বপূৰ্ণ উদ্দেশ্য হ'ল নিয়োগত সৰ্বাধিকৰণ কৰা l এই উদ্দেশ্য ফলৱৰ্তী হোৱাৰ কাৰণে কেন্দ্ৰীয় বেংকে দেশৰ কৃষি আৰু উদ্যোগ খণ্ডত যথোপযুক্ত ঋণৰ ব্যৱস্থা কৰে l

১০। বেংকৰ ওপৰত পৰ্যবেক্ষণ আৰু নিৰীক্ষণ কিদৰে কৰে ?

উত্তৰঃ বৰ্তমান সময়ত প্ৰায় সকলো দেশৰ কেন্দ্ৰীয় বেংককে দেশৰ বেংক পদ্ধতি সুস্থভাৱে নিয়ন্ত্ৰিত কৰিবলৈ বহুত ক্ষমতা প্ৰদান কৰা হয় l কেন্দ্ৰীয় বেংকে আন বেংকৰ ব্যৱসায় পৰিদৰ্শন আৰু পৰ্যবেক্ষণ কৰিব পাৰে l বাস্তৱিকতে এনে কাৰ্য কৰে l ইয়াৰ ফলত বেংকে আন বেংকৰ ব্যৱসায় নীতি সুস্থ ভিত্তিত পৰিচালিত হৈছে নে নাই সঠিকভাবে জানিব পাৰে l ইয়াৰ ভিত্তি নানা প্ৰকাৰৰ দিহা - পৰামৰ্শ দিব পাৰে l এই ব্যৱস্থা সবাতোকৈ কাৰ্যকৰী হয় l

১১। বেংকৰেট কি ?

উত্তৰঃ মুদ্ৰা বজাৰত অৰ্থৰ নাটনি হলে বাণিজ্যিক বেংকে কেন্দ্ৰীয় বেংকৰ পৰা ঋণ লয় l নতুবা বাণিজ্যিক বেংকে গ্ৰাহকক ভঙাই দিয়া বিল কেন্দ্ৰীয় বেংকত পুনৰ বাট্টা কৰি লয় l কেন্দ্ৰীয় বেংকে এইদৰে ঋণ দিওঁতে বা বিল পুনৰ বাট্টা কৰোঁতে যি হাৰত সুত লয় , তাকে বেংক ৰেট বা বাট্টাহাৰ বোলে l

## ( গ ) দীঘলীয়া প্ৰশ্নোত্তৰঃ

১। কেন্দ্ৰীয় বেংকৰ চাৰি প্ৰকাৰ নোট প্ৰৱৰ্তন পদ্ধতি আলোচনা কৰা l

উত্তৰঃ সময়ে সময়ে বা বিভিন্ন সময়ত নোট প্ৰৱৰ্তন পদ্ধতি প্ৰৱৰ্তিত , প্ৰচলিত আৰু সলনি হৈ আহিছে সময়ৰ লগত থাপ খুৱায় । এইসমূহ হল -

( ক ) আংশিক আদিষ্ট পদ্ধতি বা নিৰ্দিষ্ট পদ্ধতি :- এই প্ৰণালীৰে ইংলেণ্ডত ১৮৪৪ চনৰ পৰা নোট প্ৰৱৰ্তন কৰা হয় । আইনৰ ব্যৱস্থা অনুসৰি এক নিৰ্ধাৰিত পৰিমাণৰ নোট চৰকাৰী প্ৰতিভূতি জামিন হিচাপে ৰাখি কেন্দ্ৰীয় বেংকে প্ৰৱৰ্তন কৰে । এই পৰিমাণতকৈ অতিৰিক্ত নোট মুদ্ৰণ কৰিবলৈ হ'লে কেন্দ্ৰীয় বেংকে সমান মূল্যৰ সোণ সংৰক্ষণ কৰিব লাগে । ১৮৬১-১৯২০ চনৰ ভিতৰত ভাৰতত এই প্ৰণালীৰে নোট প্ৰৱৰ্তন হয় ।

( খ ) নোট সৰ্বাধিক সীমা বা সৰ্বাধিক আদিষ্ট প্ৰণালীঃ ১৮৭০-১৯২৮ চনত ফ্ৰান্স এই প্ৰণালী অৱলম্বন কৰি নোট প্ৰৱৰ্তন কৰে । আইন প্ৰণয়ন কৰি কি পৰিমাণৰ নোট প্ৰৱৰ্তন কৰিব তাক সৰ্বাধিক সীমা স্থিৰ কৰি দিয়া হয় । এই পৰিমাণৰ নোট মুদ্ৰণ কৰিবলৈ কেন্দ্ৰীয় বেংকে কোনো প্ৰকাৰ ধাতু বা প্ৰতিভূতি সংৰক্ষণ কৰিব নালাগে । সময়ে সময়ে আইন সংশোধন কৰি নোট মুদ্ৰণৰ মাত্ৰাৰ পৰিৱৰ্তন কৰা হয় । এই প্ৰণালী ১৯৬৯ চনত ইংলেণ্ডে আৰু ১৯৪১ চনত জাৰ্মানীয়ে কাৰ্যকৰী কৰে ।

( গ ) নিম্নতম শতাংশ পদ্ধতিঃ এই প্ৰণালী মতে প্ৰৱৰ্তিত নোটৰ বিপৰীতে এক নিৰ্দিষ্ট পৰিমাণৰ সোণ , ৰূপ আৰু আন প্ৰতিভূতি বা বৈদেশিক মুদ্ৰা সংৰক্ষণ কৰিব লাগে । ভাৰতত ১৯৫৬ চনৰ ৰিজাৰ্ভ বেংকৰ আইনৰ সংশোধনী ক্ৰমে সৰ্বনিম্ন ৪০ কোটি সংৰক্ষণৰ ৪০ শতাংশ সোণ আৰু বাকী ৬০ শতাংশ স্টালিং তহবিল বা বৈদেশিক মুদ্ৰা সংৰক্ষণ কৰি নোট প্ৰৱৰ্তন হয় । ১৯৫৭ চনত ইয়াৰ সংশোধনী হয় ।

( ঘ ) নিম্নতম সংৰক্ষণ পদ্ধতিঃ এই পদ্ধতিত নোট প্ৰৱৰ্তন কৰিবলৈ নিৰ্ধাৰিত নিম্নতম স্বৰ্ণ সংৰক্ষণৰ কাৰণে আইনৰ ব্যৱস্থা কৰা হয় । সেই নিম্নতম পৰিমাণৰ সোণ সংৰক্ষণ কৰি মুদ্ৰা কৰ্তৃপক্ষই যিকোনো পৰিমাণৰ নোট প্ৰৱৰ্তন আৰু প্ৰচলন কৰিব পাৰে । ভাৰতত বৰ্তমান এনে প্ৰণালীৰে নোট প্ৰৱৰ্তন হৈ আছে । ১৯৫৭ চনত সংশোধনী ক্ৰমে সৰ্বনিম্ন ২০০ কোটি টকাৰ মূল্যৰ সোণ আৰু আন প্ৰতিভূতি ( ১১৫

কোটি টকাৰ সোণ আৰু ৮৫ কোটি টকাৰ বৈদেশিক মুদ্ৰা , চৰকাৰী বিল আদি ) সংৰক্ষণ কৰি নোট প্ৰৱৰ্তন কৰে ।

২। অন্তিম মুহূৰ্ত ঋণদাতা আৰু বেংকৰ বেংক হিচাপে কেন্দ্ৰীয় বেংকৰ কাৰ্যাবলী আলোচনা কৰা ।

উত্তৰঃ কেন্দ্ৰীয় বেংকে দেশৰ মুদ্ৰা বজাৰ আৰু বেংক ব্যৱস্থাৰ অন্তিম মুহূৰ্তৰ ঋণদাতা হিচাপে কাম কৰে । অধিক লেনদেন নিষ্পত্তি কৰিবৰ জোখাৰে মুদ্ৰাৰ প্ৰচলন হ'লেহে অৰ্থ ব্যৱস্থাত তৰলতা আহে । বাণিজ্যিক বেংকে গ্ৰাহকক ঋণ প্ৰদান কৰি আৰু গ্ৰাহকৰ বিল ( বিনিয়োগ পত্ৰ ) ভঙাই দি মুদ্ৰা বজাৰৰ তৰলতা ৰক্ষা কৰে । কিন্তু বাণিজ্যিক বেংকৰ অৰ্থৰ অভাৱ ঘটিলে কেন্দ্ৰীয় বেংকে দেশৰ বাণিজ্যিক বেংকক ঋণ দি বা বাণিজ্যিক বেংকৰ বিলটোৰ পুনৰ বাট্টা কৰি , মুদ্ৰা বজাৰৰ তৰেলতা ৰক্ষা কৰে । অৰ্থাৎ মুদ্ৰা বজাৰত তৰলতাৰ অভাৱ হ'লে অৱশেষত কেন্দ্ৰীয় বেংকে তৰলতা আনি দিয়ে । সেই হিচাপে কেন্দ্ৰীয় বেংকে তলতাৰ ক্ষেত্ৰত মুদ্ৰা বজাৰত অন্তিম মুহূৰ্তৰ ত্ৰাণকৰ্তা হিচাপে কাম কৰে ।

কেন্দ্ৰীয় বেংকে দেশৰ বাণিজ্যিক বেংকসমূহৰ বেংকাৰ হিচাপে কাৰ্যসম্পন্ন কৰে । বাণিজ্যিক বেংকে গ্ৰাহকৰ বাবে আমানত ৰাখে , ঋণ দিয়ে , অৰ্থ স্থানান্তৰ আৰু প্ৰেৰণ আদিৰ কাম কৰে । সেইদৰে কেন্দ্ৰীয় বেংকে অনুৰূপ কাৰ্য বাণিজ্যিক বেংকৰ বাবে সম্পন্ন কৰে । অৰ্থাৎ বাণিজ্যিক বেংকে পৰম্পৰাগতভাৱে বা বিধিগতভাৱে কেন্দ্ৰীয় বেংকত হিচাপ খোলে । তাত বিধিগত নিম্নতম নগদ মুদ্ৰা জমা ৰখাৰ উপৰিও বাণিজ্যিক বেংকৰ ৰাহি অৰ্থ জমা ৰাখে । বাণিজ্যিক বেংকৰ অৰ্থনাটনি হলে , কেন্দ্ৰীয় বেংকে ঋণ দিয়ে আৰু বিল পুনৰ বাট্টা কৰি সহায় কৰে । তদুপৰি বাণিজ্যিক বেংকেবোৰৰ মাজত হোৱা লেনদেন কেন্দ্ৰীয় বেংকে হিচাপৰ যোগেদি নিষ্পত্তি কৰে ।

৩। কেন্দ্ৰীয় বেংকৰ ঋণ নিয়ন্ত্ৰণ কাৰ্য আলোচনা কৰা । ঋণ নিয়ন্ত্ৰণ পৰিমাণগত বা সাধাৰণ প্ৰণালী আৰু বাছনিমূলক বা গুণগত উপায়ৰ বিষয়ে আলোচনা কৰা ।

উত্তৰঃ দেশৰ ঋণ নিয়ন্ত্ৰণ কৰাটো কেন্দ্ৰীয় বেংকৰ অন্যতম মুখ্য কাৰ্য। ঋণ নিয়ন্ত্ৰণ বুলিলে সাধাৰণভাৱে বাণিজ্যিক বেংকৰ ঋণ নীতিৰ ওপৰত নিয়ন্ত্ৰণ তথা পৰিচালনা কৰাকে বুজায়। ঋণ নিয়ন্ত্ৰণৰ উদ্দেশ্যে কেন্দ্ৰীয় বেংকে দুটা উপায় অৱলম্বন কৰে। বেংক ৰেট , মুকলি বজাৰৰ লেনদেন আৰু পৰিবৰ্তনশীল সংৰক্ষণৰ অনুপাতৰ প্ৰভাৱ সাধাৰণতে সকলো বেংকৰ ওপৰত প্ৰায় একে ধৰণে প্ৰতিফলিত হয়। এইবোৰৰ সহায়ত কেন্দ্ৰীয় বেংকে মুদ্ৰা যোগানৰ তাৰতম্য কৰি বাণিজ্যিক বেকৰ তৰলতাৰ ওপৰত প্ৰভাৱ পেলায়। তেতিয়া বাণিজ্যিক বেংকৰ ঋণদান ক্ষমতা হ্ৰাস বৃদ্ধি হয়। এইবোৰকে ঋণ নিয়ন্ত্ৰণৰ সাধাৰণ বা পৰিমাণগত  প্ৰণালী বোলে।

আনহাতে অৰ্থ ব্যৱস্থাৰ কোনো বিশেষ খণ্ডত ঋণ নিয়ন্ত্ৰণ কাৰ্যকৰী কৰিবলৈ কেন্দ্ৰীয় বেংকে বাছনিমূলক বা গুণগত উপায় অৱলম্বন কৰে। সাধাৰণতে নৈতিক প্ৰমোদন , প্ৰত্যক্ষ নিৰ্দেশ , মাৰ্জিন'ৰ হ্ৰাস - বৃদ্ধি , ভোক্তা ঋণ নিয়ন্ত্ৰণ আদিয়ে বাছনিমূলক উপায়।

কেন্দ্ৰীয় বেংকৰ ঋণ নিয়ন্ত্ৰণ উপায়বোৰক ঘাইকৈ দুটা ভাগত ভগোৱা হয়। সেয়া। হ'ল –

( ক ) পৰিমাণগত বা সাধাৰণ প্ৰণালী। আৰু

( খ ) বাছনিমূলক বা গুণগত উপায়।

( ক ) পৰিমাণগত বা সাধাৰণ প্ৰণালীঃ বেংক ৰেট বা বাট্টাহাৰ , মুকলি বজাৰৰ লেনদেন আৰু পৰিবৰ্তনশীল সংৰক্ষণ অনুপাতৰ প্ৰভাৱ সাধাৰণতে সকলো বেংকৰ ওপৰত প্ৰায় একে ধৰণে প্ৰতিফলিত হয়। এইবোৰৰ সহায়ত কেন্দ্ৰীয় বেংকে মুদ্ৰা যোগানৰ তাৰতম্য কৰি বাণিজ্যিক বেংকৰ তৰলতাৰ ওপৰত প্ৰভাৱ পেলায়। তেতিয়া বাণিজ্যিক বেংকৰ ঋণদান ক্ষমতা হ্ৰাস বৃদ্ধি হয়। এইবোৰকে ঋণ নিয়ন্ত্ৰণৰ সাধাৰণ বা পৰিমাণগত প্ৰণালী বোলে। এইবোৰ চমুকৈ তলত বৰ্ণনা কৰা হ'ল —

( a ) বেংকৰেট বা বাট্টাহাৰঃ মুদ্ৰা বজাৰত অৰ্থৰ নাটনি হলে বাণিজ্যিক বেংকে কেন্দ্ৰীয় বেংকৰ পৰা ঋণ লয় , নতুবা বাণিজ্যিক বেংকে গ্ৰাহকক ভঙাই দিয়া বিল কেন্দ্ৰীয় বেংকত পুনৰ বাট্টা কৰি লয় । কেন্দ্ৰীয় বেংকে এইদৰে ঋণ দিওঁতে বা বিল পুনৰ বাট্টা কৰোঁতে যিহাৰত সুত লয় , তাকে বেংকৰেট বা বাট্টাহাৰ বোলে । কেন্দ্ৰীয় বেংকৰ নিৰ্বাচনযোগ্য আৰু অ অনুমোদিত প্ৰতিভূতি জামিন ৰাখিহে ঋণ দিয়ে বা অনুমোদিত বিল পুনৰ বাট্টা কৰি দিয়ে । কেন্দ্ৰীয় বেংকে এই বেংকৰেট পৰিবৰ্তন কৰিব পাৰে । বেংকৰেট বঢ়াই দিয়ে বাণিজ্যিক বেংকে লোৱা ঋণৰ সুত বাঢ়ে । তেতিয়া বাণিজ্যিক বেংকে ঋণ প্ৰদান কৰোঁতে লোৱা সুতৰ হাৰ বৃদ্ধি কৰে । এইদৰে মুদ্ৰা বজাৰৰ অন্যান্য সুতৰ হাৰ বৃদ্ধি পায় । সুতৰ হাৰ বৃদ্ধি হ'লে ঋণৰ খৰচ বাঢ়ে । তেতিয়া ধৰুৱা নিৰুৎসাহিত হয় । ফলত ঋণৰ পৰিমাণ হ্ৰাস হয় । আনহাতে বেংকটে হ্ৰাস কৰিলে সুতৰ হাৰ কমে । তেতিয়া ঋণৰ খৰচ কম হয় । বিনিয়োগকাৰীয়ে অধিক ঋণ লয় । গতিকে মুদ্ৰাৰ চাহিদা আৰু যোগান বাঢ়ে । দ্ৰব্য মূল্যস্তৰ উৰ্দ্ধগামী হয় । বিনিয়োগ অধিক হলে আৰ্থিক কাৰ্য , নিয়োগ , আয় , বস্তুৰ চাহিদা বাঢ়ে ।

( b ) মুকলি বজাৰৰ লেনদেন :- কেন্দ্ৰীয় বেংকে বজাৰত হ্ৰস্বম্যাদী প্ৰতিভূতি বেচা - কিনা কৰাকে মুকলি বজাৰৰ লেন - দেন বোলে । ইয়াৰ ফলত মুদ্ৰা বজাৰৰ তৰলতা প্ৰত্যক্ষ ভাৱে কম - বেছি কৰিব পাৰি । বেংকসমূহৰ হাতত অধিক পৰিমাণে তৰল সম্পদ থাকিলে ঋণৰ পৰিমাণ বেছি হয় ফলত মুদ্ৰাস্ফীতি হয় । এনে ক্ষেত্ৰত মুদ্ৰা বজাৰৰ তৰলতা হ্ৰাস কৰাৰ কাৰণে কেন্দ্ৰীয় বেংকে হস্বম্যাদী প্ৰতিভূতি বিক্ৰী কৰে । এই প্ৰতিভূতি বিভিন্ন ব্যক্তি , প্ৰতিষ্ঠান , বিত্তীয় অনুষ্ঠানে ক্ৰয় কৰে । ক্ৰেতাসকলে বাণিজ্যিক বেংকৰ হিচাপত চেক দি প্ৰতিভূতিৰ মূল্য আদায় দিয়ে । ফলত বাণিজ্যিক বেংকে কেন্দ্ৰীয় বেংকত জমা ৰখা আমানত হ্ৰাস পায় । আনহাতে বাণিজ্যিক বেংকে গ্ৰাহকক দিবলগীয়া আমানত দেনাৰ পৰিমাণ কমে । তেতিয়া মুদ্ৰা বজাৰৰ তলতাকমে । গতিকে বাণিজ্যিক বেংকৰ ঋণ সৃষ্টি ক্ষমতা কমে ।

আনহাতে বজাৰত মুদ্ৰা যোগান বেছি কৰিবলৈ হ'লে , কেন্দ্ৰীয় বেংকে আগতে বিক্ৰী কৰা প্ৰতিভূতি ক্ৰয় কৰে । তেতিয়া প্ৰতিভূতি বিক্ৰেতাসকলে সেইবোৰৰ মূল্য পায় । তেওঁলোকে পোৱা নগদ মূল্য সাধাৰণতে বাণিজ্যিক বেংকত জমা হয় । নতুবা কেন্দ্ৰীয় বেংকে বাণিজ্যিক বেংকৰ হিচাপত ক্ৰেডিট দেখুৱাই প্ৰতিভূতি মূল্য আদায় দিয়ে ।

( C ) পৰিৱৰ্তনশীল নগদ সংৰক্ষণৰ অনুপাতঃ বাণিজ্যিক বেংকসমূহে কেন্দ্ৰীয় বেংকত নিৰ্দিষ্ট পৰিমাণৰ নগদ মুদ্ৰা জমা ৰাখিব লাগে । এই জমা বা সংৰক্ষণৰ অনুপাত পৰিবৰ্ত্তন শীল আৰু কেন্দ্ৰীয় বেংকে প্ৰয়োজন অনুসৰি ইয়াক সলনি কৰিব পাৰে । আইনত স্থিৰ কৰি দিয়া নিম্নতম আৰু উৰ্দ্ধৰ্তম অনুপাতৰ ভিতৰত কেন্দ্ৰীয় বেংকে সংৰক্ষণৰ পৰিমাণ স্থিৰ কৰি দিয়ে । বাণিজ্যিক বেংকৰ আমানত । শতাংশ হিচাপে এই পৰিমাণ স্থিৰ কৰা হয় । সেইকাৰণে ইয়াক পৰিবৰ্তন শীল সংৰক্ষণ অনুপাত বোলে ।

বাণিজ্যিক বেংকে ৰাখিবলগীয়া সংৰক্ষণৰ অনুপাত হ্ৰাস কৰিলে সেইবোৰৰ ঋণদাতা ক্ষমতা হ্ৰাস বৃদ্ধি হয় । সেয়ে কেন্দ্ৰীয় বেংকে ঋণ সম্প্ৰসাৰণ বা সংকোচন কৰিবলৈ হলে নগদ সংৰক্ষণ অনুপাত কম বেছি কৰি দিয়ে । এই অনুপাত বৃদ্ধি কৰিলে ঋণ সৃষ্টি ক্ষমতা কমে আৰু সংৰক্ষণৰ হাৰ হ্ৰাস কৰিলে ঋণ প্ৰদান ক্ষমতাও বাঢ়ে ।

( খ ) বাছনিমূলক বা গুণগত ঋণ নিয়ন্ত্ৰণৰ উপায়ঃ অৰ্থ ব্যৱস্থাৰ কোনো বিশেষ খণ্ডত যেনে –কৃষি , উদ্যোগ আদিত ঋণ নিয়ন্ত্ৰণ কাৰ্যকৰী কৰিবলৈ কেন্দ্ৰীয় বেংকে বাছনিমূলক বা গুণগত উপায় অৱলম্বন কৰে । সাধাৰণতে নৈতিক প্ৰণোদন , প্ৰত্যক্ষ নিৰ্দেশ , মাৰ্জিন ' হাস বৃদ্ধি , ভোক্তা ঋণ নিয়ন্ত্ৰণ আদিয়ে বাছনিমূলক উপায় । তলত এইবোৰৰ চমু আভাষ দাঙি ধৰা হ'ল —

( a ) ঋণৰ ৰেচনিং ব্যৱস্থা :- সাধাৰণতে কেন্দ্ৰীয় বেংকে সকলোবোৰ প্ৰতিষ্ঠানৰ পৰা যি পৰিমাণ ঋণ বা বাট্টাকৰণৰ বিল পায় তাতকৈ কম পৰিমাণৰ সাহায্য দিয়ে । ফলত প্ৰত্যেক আবেদনকাৰীয়ে বিচৰা ঋণ বা

বাট্টাকৰণৰ একাংশহে কেন্দ্ৰীয় বেংকে মুদ্ৰা বজাৰক ঋণৰ যোগান ধৰে , অৰ্থাৎ মুদ্ৰা বজাৰৰ ঋণ চাহিদা আংশিকভাৱে পূৰণ কৰে ৷ তেতিয়া মুদ্ৰা বজাৰ বা বাণিজ্যিক বেংকৰ তৰলতা কমি থাকে ৷ ফলত ঋণ সম্প্ৰসাৰণ কম হয় ৷ ইয়েই ঋণ ৰেচনিং বা ঋণৰ যথোপযুক্ততা ৷

( b ) প্ৰত্যক্ষ ব্যৱস্থা :- ঋণ নিয়ন্ত্ৰণ অধিক কাৰ্যকৰী কৰিবলৈ কেন্দ্ৰীয় বেংকৰ ইচ্ছা বা নিৰ্দেশৰ বিৰুদ্ধে কাম কৰা বাণিজ্যিক বেংকৰ ক্ষেত্ৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰে ৷ এনে শাস্তিমূলক ব্যৱস্থা হিচাপে বাণিজ্যিক বেংকক কেন্দ্ৰীয় বেংকৰ বাট্টাকৰণ বা ঋণ গ্ৰহণৰ সুবিধাৰ পৰা বঞ্চিত কৰিব পাৰে ৷ কোনো কোনো ক্ষেত্ৰত শাস্তিমূলক ব্যৱস্থা হিচাপে কেন্দ্ৰীয় বেংকৰ নিৰ্দেশ আওকাণ কৰা বেংকক ঋণ প্ৰদান কৰিলেও তাৰ বাবে বাট্টা হাৰতকৈ অধিক সুত ল’ব পাৰে ৷

( C ) নৈতিক প্ৰণোদনঃ অৰ্থ ব্যৱস্থাৰ মূল লক্ষ্য সাধনৰ হকে কেন্দ্ৰীয় বেংকে মুদ্ৰানীতি কাৰ্যকৰী কৰে ৷ এই উদ্দেশ্যে কেন্দ্ৰীয় বেংকে সময়ে সময়ে বেংকৰ ব্যৱসায় নীতি সম্পৰ্কে দিহা পৰামৰ্শ দিয়ে ৷ অৰ্থাৎ বেংক ব্যৱস্থাৰ ঋণৰ গতিধাৰা , তাৰ পৰিমাণ , সুদৰ হাৰ আদি নানা দিশত কেন্দ্ৰীয় বেংকে সময়ে সময়ে উপদেশ আৰু সতৰ্কবাণী শুনায় ৷ ইয়াৰ দ্বাৰা বেংক ব্যৱস্থাক নৈতিকভাৱে প্ৰভাৱান্বিত কৰে ৷ বেংক ব্যৱস্থাৰ বন্ধু , উপদেষ্টা আৰু দাৰ্শনিক ৰূপে কেন্দ্ৰীয় বেংকে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰি নৈতিকভাৱে সেইবোৰক উদ্বুদ্ধ কৰে ৷ নৈতিক প্ৰণোদন ব্যৰ্থ হলে কেন্দ্ৰীয় বেংকে হুমকি দি সৰ্তক বাণী প্ৰচাৰ কৰি বিপথে ব্যৱসায় পৰিচালনা কৰা বেংকক সুপথলৈ আনিব পাৰে ৷ কেন্দ্ৰীয় বেংকে দেশৰ কোনো বিশেষ খণ্ডলৈ ঋণ সম্প্ৰসাৰণৰ প্ৰয়োজনীয়তাৰ ইচ্ছা প্ৰকাশ কৰিব পাৰে ৷

আনহাতে পণ্যৰ মজুতকৰণত ঋণ নিদিবলৈ পৰামৰ্শ দিব পাৰে ৷ কোনো বিধ ঋণৰ মাত্ৰা বা জামিন সম্পৰ্কেও পৰামৰ্শ দিব পাৰে ৷

( d ) ভোক্তাৰ ঋণ নিয়ন্ত্ৰণ :- মটৰগাড়ী , টি.ভি. , ফ্ৰীজ আদি দীৰ্ঘদিন ব্যৱহাৰ্য ডোক্তাৰ পণ্যও বেংক ঋণৰ যোগেদি সংগ্ৰহ কৰিব পৰা ব্যৱস্থা আছে ৷ এনে পণ্যও বেংক ঋণৰ চতাৱলী , কিস্তি আদি কেন্দ্ৰীয় বেংকে

নিয়ন্ত্ৰণ কৰিব পাৰে। ইয়াৰ সহায়ত সেইবোৰ পণ্যৰ বজাৰ চাহিদাৰ ওপৰত প্ৰভাৱ পেলাব পাৰি। বিশেষকৈ মুদ্ৰাস্ফীতি আৰু দ্ৰব্যৰ নাটনিৰ সময়ত ভোক্তা ঋণ নিয়ন্ত্ৰণ কৰি অৰ্থ ব্যৱস্থাত স্থিৰতা আনিব পাৰি। অৰ্থাৎ মুদ্ৰাস্ফীতিৰ সময়ত ভোক্তা ঋণ কঠোৰ কৰি নতুবা বন্ধ কৰি আৰু মুদ্ৰা সংকোচনৰ সময়ত ইয়াৰ শিথিল কৰি অৰ্থ ব্যৱস্থাৰ স্থিৰতা ৰক্ষা কৰিব পাৰি।